**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-09-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**-----------------------**

১।	২ অক্টোবৰৰ পৰা কাম আৰম্ভ হ'ব পৰাকৈ ৰাজ্যৰ ৩৯ খন উপ-জিলা গঠনত ৰাজ্যিক কেবিনেটৰ অনুমোদন।

২।	দেশৰ বিভিন্ন প্ৰান্তৰ লগতে আজি ৰাজ্যজুৰি শিক্ষক দিৱস পালন। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ৰাজ্য চৰকাৰৰ উদ্যোগত কেন্দ্ৰীয় অনুষ্ঠানৰ আয়োজন।

৩।	প্ৰধানমন্ত্ৰী উচ্চতৰ শিক্ষা অভিযান আঁচনিৰ অধীনত ৰাজ্যৰ ৩১খন উচ্চ শিক্ষানুষ্ঠানলৈ আজি ২২৯ কোটিৰো অধিক টকাৰ পুঁজি আৱণ্টন।

৪।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙৰ সৈতে বিভিন্ন বিষয়ত আলোচনা।
**আৰু**

৫।	পেৰিছ পেৰালিম্পিকত ২৪টা পদক অৰ্জনেৰে ভাৰতৰ জয়যাত্ৰা অব্যাহত।

০০০০০০

ৰাজ্য চৰকাৰৰ কোনো কৰ্মচাৰীৰ দুৰ্ঘটনাজনিত কাৰণত মৃত্যু হ'লে নাইবা দুৰ্ঘটনাৰ ফলত সম্পূৰ্ণৰূপে শাৰীৰিক অক্ষম হৈ পৰিলে এক কোটি টকা বীমা প্ৰিমিয়াম হিচাপে আগবঢ়াবলৈ ভাৰতীয় ষ্টেট বেংক আৰু অন্য বেংকসমূহৰ সৈতে চৰকাৰে চুক্তি স্বাক্ষৰ কৰিব। কালি লখিমপুৰত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত এই বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বৈঠকৰ পাছত এখন সংবাদমেলত প্ৰকাশ কৰে। আনহাতে, দুৰ্ঘটনাৰ ফলত আংশিকভাৱে শাৰীৰিক অক্ষম হৈ পৰিলে ৮০ লাখ টকাৰ বীমা প্ৰিমিয়াম আগবঢ়োৱা হ'ব। ৰোগাক্ৰান্ত হৈ কোনো চৰকাৰী চাকৰিয়ালৰ মৃত্যু হ'লে পূৰ্বে লাভ কৰা চিকিৎসা সুবিধাসমূহৰ বাহিৰেও অতিৰিক্ত ১০ লাখ টকাৰ জীৱন বীমা প্ৰিমিয়াম লাভ কৰিব বুলি তেওঁ কয়। ইয়াৰ ফলত কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালসমূহৰ জীৱন পূৰ্বতকৈ সুৰক্ষিত হ'ব বুলি তেওঁ মন্তব্য কৰে। আনহাতে, কেবিনেটে অহা ২ অক্টোবৰৰ পৰা কাম আৰম্ভ কৰিব পৰাকৈ ৰাজ্যৰ ৩৯ খন উপ-জিলা গঠনত কেবিনেটে অনুমোদন জনাইছে। এতিয়াৰে পৰা মাটি-বাৰীৰ কাম-কাজ, আৱকাৰী, বিধায়কৰ পুঁজি বিতৰণকে ধৰি সকলো ধৰণৰ কাম-কাজ উপ-জিলাতে সম্পন্ন কৰিব পৰা যাব। কেবিনেটে লগতে ৰাজ্যখনৰ ২০ লাখ লোকক অতিৰিক্তভাৱে ৰেচন কাৰ্ড প্ৰদানৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰে। ১৫ ছেপ্তেম্বৰত এই কাৰ্ডসমূহৰ বাবে আবেদন আৰু বিতৰণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ১৯ নৱেম্বৰৰ দিনটো বীৰ ৰাঘৱ মৰাণ দিৱস হিচাপে পালন কৰাৰ লগতে সীমিত চৰকাৰী বন্ধৰ দিন হিচাপে ঘোষণা কৰিবলৈ মন্ত্ৰীসভাই অনুমোদন দিয়ে। লখিমপুৰ জিলাৰ বিভিন্ন আন্তঃগাঁথনিমূলক উন্নয়নৰ বাবে ৰাজ্যিক কেবিনেটে ২১৩ কোটি টকাৰ অনুমোদন জনাইছে। এই ধনেৰে জিলাখনৰ হাৰমতিৰ পৰা ফুলবাৰী হৈ ডিজুকিমিনৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথলৈ ৩৪ কিলোমিটাৰ পথ নিৰ্মাণ কৰাৰ লগতে বগীনদীত প্ৰেক্ষাগৃহ নিৰ্মাণ, শ্ৰীশ্ৰীমাধৱদেৱ ক্ষেত্ৰ

উন্নয়ন আঁচনি আৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ জন্মক্ষেত্ৰ উন্নয়ন আঁচনি ৰূপায়ণ কৰা হ'ব। তদুপৰি বেদেটিত এখন আদৰ্শ স্নাতক মহাবিদ্যালয় নিৰ্মাণৰ বাবেও কালি কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰে।

oooooo

দেশৰ বিভিন্ন অংশৰ লগতে অসমতো আজি শিক্ষক দিৱস পালন কৰা হৈছে। শিক্ষাবিদ তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ড০ সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ৫ ছেপ্তেম্বৰত এই দিৱস পালন কৰা হয়। দেশত ১৯৬২ চনৰ ৫ ছেপ্তেম্বৰত প্ৰথম শিক্ষক দিৱস অনুষ্ঠিত হৈছিল আৰু ১৯৭২ চনৰে পৰা চৰকাৰীভাৱে এই দিৱস পালন কৰি অহা হৈছে।

এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত এটা অনুষ্ঠানত দেশৰ বিভিন্ন প্ৰান্তৰ ৮২ গৰাকী  শিক্ষক-শিক্ষয়িত্ৰীক ২০২৪ বৰ্ষৰ বাবে ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটা প্ৰদান কৰিব। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে কৈছে যে, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অসাধাৰণ অৱদানৰ উদযাপন আৰু স্কুলীয়া শিক্ষাৰ মান উন্নত কৰাৰ লগতে শিক্ষাৰ্থীসকলৰ জীৱন সমৃদ্ধ কৰা একাংশ শিক্ষকক সন্মানিত কৰাই ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাৰ মূল উদ্দেশ্যে।

ইপিনে, ৰাজ্যৰ উচ্চ শিক্ষা আৰু বিদ্যালয় শিক্ষা বিভাগৰ উদ্যোগত আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰংঘৰ প্ৰেক্ষাগৃহত ৬৩ সংখ্যক শিক্ষক দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত চলিত বৰ্ষৰ কৃতি শিক্ষকৰ বঁটা লাভ কৰা ১৩গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক ৰাজ্যিক বঁটা প্ৰদান কৰা হ'ব। মাধ্যমিক শাখাত ৮ গৰাকী শিক্ষকলৈ এই বঁটা আগবঢ়োৱা হৈছে। তেওঁলোক হৈছে ডিব্ৰুগড়ৰ বিউতি লেখাৰু শইকীয়া, যোৰহাটৰ মণি দত্ত, লখিমপুৰৰ কল্পনা গগৈ, যোৰহাটৰ প্ৰশান্ত কুমাৰ মহন্ত, তিনিচুকীয়াৰ মিনু ৰাণী বৰা, বিশ্বনাথৰ ৰিপুঞ্জয় বৰদলৈ, কামৰূপৰ হীৰেন কুমাৰ দাস আৰু শিৱসাগৰৰ হীৰেন কুমাৰ নেওগ। আনহাতে প্ৰাথমিক শাখাত পাঁচ গৰাকী শিক্ষক ক্ৰমে ধেমাজিৰ গকুল চুতীয়া, কাছাৰ অতনু চৌধুৰী, দৰঙৰ ৰিজু ৰেখা দেৱী, ডিব্ৰুগড়ৰ সংগীতা দেৱী আৰু শিৱসাগৰৰ লোহিত চেতীয়াক কৃতি শিক্ষকৰ বঁটা আগবঢ়োৱা হৈছে। ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকে কালি এই সম্বন্ধীয় নিৰ্দেশনা জাৰি কৰে। অনুষ্ঠানত নাকৰ মূল্যায়নত A++ আৰু A+ তথা বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা স্বতন্ত্ৰ মৰ্যাদা লাভ কৰা মহাবিদ্যালয়ৰ অধ্যক্ষসকলৰ লগতে পেটেণ্ট লাভ কৰা মহাবিদ্যালয়সমূহৰ শিক্ষকসকলকো সম্বৰ্দ্ধনা জ্ঞাপন কৰা হ'ব।  মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু এই অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব।

oooooo

প্ৰধানমন্ত্ৰী উচ্চতৰ শিক্ষা অভিযান আঁচনিৰ অধীনত ৰাজ্যৰ ৩১খন উচ্চ শিক্ষানুষ্ঠানলৈ মুঠ ২২৯ কোটি ৯ লাখ ৫৫ হাজাৰ টকাৰ পুঁজি আৱণ্টন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সেই অনুসৰি আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই আঁচনিৰ জৰিয়তে বহুমুখী শিক্ষা আৰু গৱেষণা বিশ্ববিদ্যালয়ৰ অধীনত ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ ১০০ কোটি টকা আৱণ্টন দিয়া হ'ব। ইফালে, লিংগ সমতা আৰু অন্তৰ্ভুক্তি পদক্ষেপৰ উপাদানৰ অধীনত উচ্চ শিক্ষানুষ্ঠানসমূহৰ বাবে জিলাভিত্তিক মুঠ ২০ কোটি টকা আৱণ্টন দিয়া হ'ব। সেই অনুসৰি বাক্সা জিলাৰ গোৰেশ্বৰ মহাবিদ্যালয়, বৰমা মহাবিদ্যালয়, বি বি কিষাণ মহাবিদ্যালয়লৈ ৩ কোটি টকাকৈ, জ্ঞানপীঠ ডিগ্ৰী মহাবিদ্যালয়লৈ ৯৬ লাখ ৪০ হাজাৰ টকা আৰু শালবাৰী মহাবিদ্যালয়লৈ ৩ লাখ ৬০ হাজাৰ টকা আৱণ্টন দিয়া হ'ব। আনহাতে, কাছাৰ জিলাৰ জনতা মহাবিদ্যালয় কাছাৰলৈ ৪ কোটি টকা, গুৰুচৰণ মহাবিদ্যালয়লৈ ৩

কোটি, পশ্চিম শিলচৰ মহাবিদ্যালয়লৈ ১ কোটি ৫০ লাখ, কাছাৰ মহাবিদ্যালয়লৈ ২৫ লাখ, চৰকাৰী আদৰ্শ মহাবিদ্যালয় বৰখলালৈ ৪০ লাখ, জে এন সিং মহাবিদ্যালয়লৈ ২০ লাখ, এম চি দাস মহাবিদ্যালয়লৈ ৫ লাখ আৰু শিলচৰ মহাবিদ্যালয় আৰু কন্যা মহাবিদ্যালয়লৈ ৩০ লাখ টকাকৈ আবণ্টন দিয়া হ'ব। ইফালে, মহাবিদ্যালয় সৱলীকৰণ অনুদানৰ সহায়ত ১৪খন প্ৰাদেশিকীকৃত মহাবিদ্যালয়ত মুঠ ৬৯ কোটি ৯ লাখ ৫৫ হাজাৰ টকা পুঁজি আবণ্টন দিয়া হ'ব। সেই অনুসৰি শ্ৰীমন্ত শংকৰ-মাধৱ মহাবিদ্যালয়, কে চি দাস বাণিজ্য মহাবিদ্যালয়, মঙলদৈ মহাবিদ্যালয়, কন্যা মহাবিদ্যালয়, আৰ কে নগৰ মহাবিদ্যালয়, সাপেখাতী মহাবিদ্যালয়, এছ কে ৰয় মহাবিদ্যালয়, লখিমপুৰ বাণিজ্য মহাবিদ্যালয়, বৰপথাৰ মহাবিদ্যালয়, ধেমাজি ছোৱালী মহাবিদ্যালয়, লক্ষীপুৰ মহাবিদ্যালয়, মানৱেন্দ্ৰ শৰ্মা ছোৱালী মহাবিদ্যালয় আৰু থং নকৰে মহাবিদ্যালয়লৈ ৫ কোটি টকাকৈ আৰু বামুন্দী মহাবিদ্যালয়লৈ ৪ কোটি ৯ লাখ ৫৫ হাজাৰ টকা আবণ্টন দিয়া হ'ব। তদুপৰি বিশ্ববিদ্যালয় সবলীকৰণ অনুদানৰ সহায়ত কটন বিশ্ববিদ্যালয় আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়লৈ ২০ কোটি টকাকৈ পুঁজিৰ আবণ্টন দিয়া হ'ব। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কাইলৈ ডিব্ৰুগড়ত ক্ষুদ্ৰ সচিবালয় মুকলি কৰিব। উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা আৰু ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনো উপস্থিত থাকিব। এই সচিবালয়ে উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, লখিমপুৰ, ধেমাজি, শিৱসাগৰ, চৰাইদেউ, মাজুলী, যোৰহাট আৰু গোলাঘাট জিলাৰ প্ৰায় ৭৯ লাখ জনসাধাৰণৰ সৈতে প্ৰশাসনৰ সংযোগ বৃদ্ধি কৰিব আৰু ৰাজ্যিক আৰু কেন্দ্ৰীয় আঁচনি তথা প্ৰকল্প ধাৰাবাহিক পৰ্যবেক্ষণ আৰু স্থানীয় উন্নয়ন ত্বৰান্বিত কৰাত সহায় কৰিব। ইয়াৰ ফলত উজনি অসমৰ জনসাধাৰণে দিছপুৰলৈ নোযোৱাকৈ বিভিন্ন বিষয় ডিব্ৰুগড় সচিবালয়ত নিষ্পত্তি কৰিব পাৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙৰ সৈতে আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই ভাৰত আৰু ছিংগাপুৰৰ মাজৰ কৌশলগত সহযোগিতাৰ অগ্ৰগতি পৰ্যালোচনা কৰিব আৰু পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় লৈ মত বিনিময় কৰিব। শ্ৰীমোদী ব্ৰুনেইৰ সফল ভ্ৰমণ সামৰি কালি বিয়লি ছিংগাপুৰৰ লায়ন চহৰত উপস্থিত হয়। ছিংগাপুৰৰ প্ৰধানমন্ত্ৰীয়ে শ্ৰীমোদীৰ সন্মানাৰ্থে ব্যক্তিগত নৈশ ভোজৰ আয়োজন কৰে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে শ্ৰীৱঙৰ সৈতে বিভিন্ন বিষয় লৈ গুৰুত্বপূৰ্ণ আলোচনা হোৱা বুলি প্ৰকাশ কৰিছে। তেওঁ কয় যে, ভাৰতে ছিংগাপুৰৰ সৈতে থকা বন্ধুত্বপূৰ্ণ সম্পৰ্কত বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে। প্ৰধানমন্ত্ৰী মোদী আজি ছিংগাপুৰৰ ৰাষ্ট্ৰপতি আৰু অন্য গণ্য মান্য ব্যক্তিৰ সৈতে বৈঠকত মিলিত হ'ব। তেওঁ এ ই এম অৰ্ধপৰিবাহী উৎপাদন গোট পৰিদৰ্শন কৰিব আৰু ছিংগাপুৰৰ বিভিন্ন কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০০

ৰাজ্য চৰকাৰৰ বিত্ত বিভাগে অভিনন্দন শিক্ষা ঋণ ৰাজসাহায্য আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ কথা ঘোষণা কৰিছে। শিক্ষা ঋণৰ ক্ষেত্ৰত ৫০ হাজাৰ টকা পৰ্যন্ত ৰাজসাহায্য প্ৰদানেৰে শিক্ষাৰ্থী আৰু তেওঁলোকৰ অভিভাৱকসকলৰ বিত্তীয় বোজা লাঘৱ কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা এই আঁচনিখনৰ প'ৰ্টেলতো আজিৰ পৰা ২০

অক্টোবৰলৈ ৪৫ দিনৰ বাবে খোলা থাকিব। উল্লেখযোগ্য যে অসমৰ লগতে আন ঠাইতো উচ্চ শিক্ষা গ্ৰহণ কৰি থকা শিক্ষাৰ্থীৰ লগতে বৰ্তমানৰ সাংসদ, বিধায়ক, পঞ্চায়তৰ কৰ্মকৰ্তা আৰু চৰকাৰী বা চৰকাৰী ৰাজহুৱা খণ্ডৰ স্থায়ী কৰ্মচাৰীসকলৰ সন্তানেও এই আঁচনিৰ সুবিধা গ্ৰহণ কৰিব পাৰিব। আঁচনিখনৰ সুবিধা গ্ৰহণ কৰা শিক্ষাৰ্থীগৰাকী অসমৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে মাত্ৰ এবাৰৰ বাবেহে এই সুবিধা লাভ কৰিব। উল্লেখযোগ্য যে যোগ্য বিবেচিত হোৱা শিক্ষাৰ্থীসকলে আৱাসিক প্ৰমাণ-পত্ৰ, পৰিচয় পত্ৰ, ঠিকনাৰ প্ৰমাণ-পত্ৰ, বেংক ঋণৰ নথিপত্ৰৰ লগতে অভিভাৱকৰ পৰিচয়ৰ প্ৰমাণ-পত্ৰ দি dids.assam.gov.in-ৰ জৰিয়তে অথবা ১৮০০-২০২৬-২৫৬ নম্বৰ যোগাযোগ কৰি অভিনন্দন আঁচনিত আবেদন কৰিব পাৰিব।

000000

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উজনি অসম ভ্ৰমণৰ অংশ হিচাপে আজি ডিব্ৰুগড় জিলাৰ জীৱন নগৰত ইস্কন মন্দিৰৰ ভূমি পূজন আৰু আধাৰশিলা স্থাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া শিক্ষক দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

000000

কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী দুৰ্গাদাস উইকেই আজি ডিগবৈ তেল শোধনাগাৰ পৰিদৰ্শন কৰিব।

দুদিনীয়া কাৰ্যসূচীৰে তিনিচুকীয়াত উপস্থিত হোৱা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সভাত জিলাখনত চলি থকা বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজৰ পৰ্যালোচনা কৰে। বৈঠকত শ্ৰীউইকেই প্ৰতিগৰাকী বিষয়াক সকলো চৰকাৰী আঁচনিৰ বিষয়ে পুংখানুপুংখভাৱে জানি নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে নিজেই ভালকৈ নাজানিলে আঁচনিসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত সফল হ'ব নোৱাৰি বুলি মন্তব্য কৰে। কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী হিচাপে তেওঁ বহিঃৰাজ্যলৈ প্ৰব্ৰজন বা পলায়ন কৰা জনজাতীয় লোকসকলক সেই স্থানতে সকলো চৰকাৰী আঁচনিৰ সুবিধাসহ নাগৰিকৰ সম্পূৰ্ণ সা-সুবিধা লাভ কৰাতো নিশ্চিত কৰিবলৈ সংশ্লিষ্ট প্ৰশাসনক আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰতিজন সচেতন সংবেদনশীল ব্যক্তিয়ে সামাজিক দায়বদ্ধতাৰে দেশ আৰু সমাজৰ কাৰণে অৰিহণা আগবঢ়োৱা উচিত বুলি মন্তব্য কৰে।

000000

হৰবিন্দৰ সিঙে পেৰিছ্ পেৰালিম্পিকৰ পুৰুষৰ আৰ্চাৰীৰ ৰিকাৰ্ভ শিতানৰ ব্যক্তিগত শাখাত সোণৰ পদক জয় কৰি ইতিহাস ৰচনা কৰিছে। হৰবিন্দৰে কালি সোণৰ পদক হস্তগত কৰি পেৰালিম্পিক অথবা অলিম্পিকৰ ইতিহাসত এই কৃতিত্ব অৰ্জন কৰা দেশৰ প্ৰথমগৰাকী খেলুৱৈৰূপে পৰিগণিত হয়। একেদৰে ধৰ্মবীৰে পুৰুষৰ ক্লাব থ্ৰ'ৰ এফ 51 শিতানৰ ফাইনেলত ৩৪ দশমিক ৯-২ মিটাৰলৈ দলিয়াই এছিয়ান অভিলেখ ভংগ কৰাৰ লগতে স্বৰ্ণ পদক হস্তগত কৰে। এই একেটা শিতানত প্ৰণৱ সুৰমাই ৩৪ দশমিক ৫-৯ মিটাৰলৈ দলিয়াই ৰূপৰ পদক অৰ্জন কৰে। ইয়াৰ পূৰ্বে বিশ্ব চেম্পিয়ন শচীন সৰ্জেৰাও খিলাৰীয়ে পুৰুষৰ শ্বটপুটৰ এফ-46 শিতানত ৰূপৰ পদক লাভ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰালিম্পিকৰ একেটা সংস্কৰণত সৰ্বাধিক পদক জয় কৰাৰ বাবে পদক জয়ী দেশৰ সকলো খেলুৱৈক অভিনন্দন জনাইছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে কৈছে যে, এই সাফল্যই ভাৰতীয় খেলুৱৈসকলৰ একাগ্ৰতা, নিষ্ঠা আৰু দৃঢ়তা প্ৰতিফলিত কৰিছে।

প্ৰতিযোগিতাত আজি অষ্টম দিনা ভাৰতীয় দলে পেৰা আৰ্চাৰীত ভাল প্ৰদৰ্শনেৰে অভিযান সামৰাৰ চেষ্টা কৰিব। সোণৰ পদক জয়ী হৰবিন্দৰ সিঙে আজি দ্বিতীয়টো পদক জয়ৰ লক্ষ্যৰে ৰিকাৰ্ভ অপেন শিতানৰ মিক্সড দলীয় শাখাত অৱতীৰ্ণ হ'ব। একেদৰে কপিল পৰমাৰ আৰু ককিলাই ব্লাইণ্ড জুডো শিতানত দেশক প্ৰতিনিধিত্ব কৰিব।

ভাৰতে এইবাৰৰ প্ৰতিযোগিতাত ৫টা সোণ, ৯ ৰূপ আৰু ১০টা ব্ৰঞ্জ সহ ২৪টা পদক লাভ কৰি পদক তালিতাৰ ত্ৰয়োদশ স্থানত আছে।

oooooo

গুৱাহাটীৰ পৰা আজি প্ৰকাশিত আটাইকেইখন বাতৰি কাকতে অনলাইন ট্ৰেডিং প্ৰবঞ্চক চুমি বৰা পলাতক অৱস্থাত থকা আৰু বিশাল ফুকনক তিনি দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা বাতৰি প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে মন্ত্ৰীসভাই বিপ্লৱ শৰ্মা সমিতিৰ ৫৭টা পৰামৰ্শত অনুমোদন জনোৱা বাতৰি প্ৰথম পৃষ্ঠাত বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিক অসমীয়া প্ৰতিদিন, আমাৰ অসম, নিয়মীয়া বাৰ্তা, অসমীয়া খবৰ আদি কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। আমাৰ অসম কাকতে পৰিষদীয় নিৰ্বাচনৰ পূৰ্বে মৰুভূমিৰ দুই আঞ্চলিক দল ইউ পি পি এল আৰু বি পি এফৰ মাজত বৈঠক অনুষ্ঠিত হোৱাৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তা কাকতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি লখিমপুৰ বিধানসভা সমষ্টিত পাঁচটা অভিলাষী প্ৰকল্প উদ্বোধন আৰু পৰিদৰ্শন কৰা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। অসমীয়া প্ৰতিদিন কাকতে মল্লযোদ্ধা বজৰং পুনিয়াই এইবাৰ কংগ্ৰেছৰ টিকটত হাৰিয়ানা বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। গুৱাহাটীৰ পৰা প্ৰকাশিত কেইবাখনো কাকতে একেটা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। অসমীয়া খবৰ কাকতে মুখ্যমন্ত্ৰীয়ে লখিমপুৰত ৫ কোটি ৭৫ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা জৈৱিক সাৰ প্ৰকল্প উদ্বোধন কৰা বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত কাকতে অসমৰ চাহ শ্ৰমিকৰ মজুৰি আজিও উপযুক্ত পৰিমাণৰ নিৰ্ধাৰণ কৰা নোহোৱাৰ বাতৰিক চৰকাৰে আইন অনুসৰি নিৰ্ধাৰণ কৰা নাই মজুৰি শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দি আছাম ট্ৰিবিউন কাকতে বাংলাদেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ বাবে উত্তৰ পূৰ্বাঞ্চল আৰু পশ্চিম বংগ গুৰুতৰ নিৰাপত্তাজনিত ভাবুকিৰ সন্মুখীন হোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। দ্য ছেণ্টিনেল কাকতে অসম আৰক্ষীয়ে অনলাইন ট্ৰেডিং কেলেংকাৰিৰ সৈতে জড়িত প্ৰৱঞ্চকসকলৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তোলাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে শিক্ষক দিৱস বৰ্জনেৰে আজি প্ৰতাৰণাৰ প্ৰতিবাদ শিক্ষকৰ, গায়ক দিক্ষুৰ ঘৰত নিশা পাৰ কৰিছিল বিতৰ্কিত চুমী বৰাই, আৰক্ষীৰ হাতত বিশালৰ সম্পত্তি বিনিয়োগকাৰীৰ তালিকা - জালত পৰিব বহু গণ্য-মান্য ইত্যাদি। এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত